# যোৰহাট কলেজত গীতার্থ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান

**যোৰহাট, ১৩ ছেপ্টেম্বৰ ঃ** যোৰহাট কলেজৰ আলোচনা কক্ষত ১১ ছেপ্টেম্বৰত ৩ সংখ্যক 'গীতার্থ বৰুৱা স্মাৰক বক্তৃতানুষ্ঠান' অতি মর্যাদাপূর্ণভাৱে অনুষ্ঠিত হয়। স্মৰণযোগ্য যে গীতার্থ বৰুৱা আছিল একাধাৰে কবি, চিত্রশিল্পী, তবলা বাদক আৰু বিভিন্ন গুণেৰে পূর্ণ এসময়ৰ যোৰহাট মহাবিদ্যালয়ৰ এজন কৃতি ছাত্র। প্রাক্তন ছাত্রজনৰ স্মৃতিত মহাবিদ্যালয়খনে আয়োজন কৰা এইবাৰৰ বক্তৃতা প্রদান কৰে মৰাণ কলেজৰ অৱসৰপ্রাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই। আৰম্ভণিতে বস্তি প্রজ্বলন কৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰী গ্রন্থাগাৰিক ড° স্মৃতিৰেখা বৰুৱাই আৰু মংগলাচৰণ কৰে বিভাস বৰুৱাই। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্র পূজাৰীয়ে আদৰণী ভাষণ প্রদান কৰে। গ্রন্থাগাৰ সহায়িকা মানসী কোঁৱৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ আঁত ধৰে গ্রন্থাগাৰিক ইন্দ্রাক্ষী দাসে। অনুষ্ঠানত গীতার্থ বৰুৱাৰ জীৱন আৰু কৃতি সম্পর্কে আলোকপাত কৰে ড° জ্যোতির্ময় বৰদলৈয়ে। সভাত নির্দিষ্ট বক্তা হিচাপে লোক-সংস্কৃতিৰ বিশিষ্ট সাধক তথা মৰাণ কলেজৰ অৱসৰপ্রাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই 'অসমীয়া কাহিনী গীত' শীর্ষক বক্তৃতা প্রদান কৰে। ড° শইকীয়াই জিকিৰ-জাৰী, চিকন সৰিয়হৰ গীত, শান্তি-ৰাধিকাৰ গীত, স্বর্গদেউ জয়ধ্বজ সিংহৰ গীত, বদন বৰফুকনৰ গীত, ফুলগুৰিৰ ধাৰাৰ গীত, মনিৰাম দেৱানৰ গীত, পথৰুঘাটৰ ৰণৰ গীত, ফুলকোঁৱৰ-মনিকোঁৱৰৰ গীত, পগলা পার্বতীৰ গীত, কমলা কুঁৱৰীৰ গীত আদি বিভিন্ন চহকী অসমীয়া কাহিনী গীতসমূহৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰাৰ লগতে সেই গীতসমূহ সুন্দৰভাৱে পৰিবেশন কৰি উপস্থিত সকলোকে মুগ্ধ কৰে। ড° পৰাণ বৰুৱাই বক্তব্য আগবঢ়োৱা অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্রাক্তন অধ্যক্ষ ড° পৰিত্রপ্রাণ গোস্বামী, প্রাক্তন আৰু বর্তমানৰ শিক্ষক-শিক্ষয়িত্রী, কর্মচাৰী আৰু ছাত্র-ছাত্রীসকল উপস্থিত থাকে। প্রতীশা দত্তই জুবিন সংগীত পৰিবেশন কৰা অনুষ্ঠানত ড° ৰঞ্জিত ভট্টাচার্যই শলাগৰ শৰাই আগবঢ়ায়।